# অনিবাৰ্য লগৰীয়া

ধৃতিমা শৰ্মা
উঃ মাঃ প্ৰথম বৰ্ষ

নোৱাৰো তাচ্ছিল্য কৰিব
বিষাদৰ মালাধাৰিক
অশ্ৰুই উজ্বল কৰি ৰখা ই এক
দুৰ্লভ মানিক
সপোন বাস্তৱৰ দোমোজাত অস্ফুট আবাহন
শুনো মই গীতৰ ধ্বনিত
জীৱনৰ অন্তিম ক্ষণতো অনুভৱ কৰো
ইযে অলৌকিক হাতে গঢ়া
ৰঙা পোৱাল মনি
দুবৰি বনৰ শীতল কোলাত পৰি ৰোৱা
সেয়া যেন মোৰেই শোকাৰ্ত হৃদয়ৰ
এফোট বিহ্বলিত কুহেলিকা
জীৱন পৰিক্ৰমাত অনিবাৰ্য লগৰীয়া। ▢▢▢



# বৃন্দ গীত

গীত- সুৰ -
নৱ কুমাৰ কলিতা
স্নাতক বৰ্ষ

স্বাগতম, স্বাগতম....
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
জ্ঞানৰ পোহৰ বিলাই
আজিও আছা ৰৈ
স্বাগতম স্বাগতম.............
ইয়াতে পঢ়ি সহস্ৰ জনে
গঢ়িলে জীৱনৰ ভেটী
ধন্য ধন্য এই বকো বাসী
ধন্য ধন্য এই অঞ্চল বাসী
স্বাগতম স্বাগতম...........
ৰাজনীতি শিক্ষানীতি আৰু সংস্কৃতি
ইয়াতে হৈছে অপাৰ
নানা জাতি উপজাতিৰ এয়াই
পবিত্ৰ মিলনভূমি
স্বাগতম স্বাগতম........... ▢▢▢

# গল্প গুচ্ছ



গল্পত সমাজখন দেখুৱাব নোৱাৰি, তাৰ এটা দিশ মাত্ৰ দেখুৱাব পাৰি। উপন্যাসত কৰাৰ দৰে চৰিত্ৰৰ পুংখানুপুংখ বিশ্লেষণ কৰিব নোৱাৰি, চৰিত্ৰৰ বৈশিষ্ট্যৰ আভাস মাত্ৰ দিব পাৰি। উপন্যাসক পকেট থিয়েটাৰ বোলা হৈছে, কিয়নো উপন্যাস এখন পঢ়ি মনৰ ভিতৰতে নাটকখন চোৱাৰ আনন্দ লাভ কৰিব পাৰি। সেই হিচাপে চুটি গল্পকো পকেট একাংক নাট আখ্যা দিব পাৰি। আধুনিক একাংক নাটত যেনেকৈ বহু বিষয় কেন্দ্ৰীভূত কৰা হয়, চুটি গল্পটো বহু কথা আনি চুম্বক ৰূপত প্ৰকাশ কৰা হয়।

*- যোগেশ দাস*

"গল্প, উপন্যাস প্ৰভূতিৰ প্ৰেৰণাৰ উৎস বৃহৎ মানৱ সমাজখন। নানান প্ৰভাৱৰ ফলত এই সমাজখনৰ পৰিবৰ্তন যুগে যুগে সাধিত হয়। এনে পৰিবৰ্তনৰ মাজতো জীৱনৰ এই সুতিটো প্ৰায় একে ধৰণেই প্ৰবাহমান হৈ থাকে। বিভিন্ন ধৰণৰ আবিস্কাৰৰ জেউতিয়ে জীৱনৰ শাশ্বত প্ৰবাহৰ ওপৰত পোহৰ পেলালে জীৱনৰ তথা সমাজৰ অনাবিস্কৃত ফালটো কাব্য, সাহিত্যত সমুজ্বল কৰি তোলাৰ সুযোগ পোৱা যায়। কৃতি লেখকে এই সুযোগ গ্ৰহণ কৰি নিজৰ সৃষ্টিৰ মাজত অভিনবত্ব প্ৰকাশ কৰিবলৈ সক্ষম হয়।"

– *ত্ৰৈলোক্যনাথ গোস্বামী*

"আমাৰ গল্প সাহিত্য বাকী কেইটা সাহিত্য ৰূপৰ তুলনাত ভাবিব নোৱাৰাকৈ চহকী। এই সাহিত্যৰ আটাইতকৈ পাগত উঠা চুটি-গল্প কেইটা অতীত প্ৰীতিৰ অনুভূতিৰে পৰিপুষ্ট । আৰু এই অতীত প্ৰীতিৰ ভেতিটো হৈছে, তাহানিতে এৰি থৈ অহা গাঁৱলীয়া জীৱনৰ ভগা-ছিগা স্মৃতি।"

– *ড০ মহেন্দ্ৰ বৰা*

# মদাৰৰ সুবাস

দীপামণি দৈমাৰী
স্নাতক তৃতীয় বৰ্ষ (কলা)

মদাৰ ফুলবোৰ ডালভৰি ফুলিছে । এৰা, আকাশ ৰাঙলী কৰি মদাৰ ফুলিছে । মদাৰে হেনো কিছুমান মানুহৰ হিয়াত জুই জ্বলায় । বেদনাৰ জুই । তাইৰ কিন্তু মদাৰ ফুলা দেখিলে হিয়াত জুই নজ্বলে । তাইৰ এনে লাগে যেন তাইক দেখিহে মদাৰ ফুলৰ হিয়াত জুই জ্বলে । একুৰা জীয়া জুই, কাহানিও নিৰ্বাপিত নোহোৱা একুৰা জুই ।

তাই মানে ৰুমা । ঘৰৰ ডাঙৰ ছোৱালী । তাইৰ তলত দুজনী ভনীয়েক, সীমা আৰু ৰীমা । কলেজত পঢ়ে দুয়োজনীয়ে । একমাত্ৰ ভায়েক অৰূপেও এইবাৰ মেট্ৰিক পৰীক্ষা দিব । মাকৰ সৈতে সিহঁতৰ পাঁচজনীয়া পৰিয়াল । ৰুমাৰ পোন্ধৰ বছৰ বয়সতে দেউতাকৰ মৃত্যু হয় । দেউতাক গাঁওৰ পৰা আঁতৰত থকা সৰু চহৰখনৰ হাইস্কুলৰ শিক্ষক আছিল। এতিয়া খেতি আৰু দেউতাকৰ পেঞ্চনৰ টকাৰে পৰিয়ালটো অভাৱ নোহোৱাকৈ চলি থাকে ।

আঠাইশটা বসন্ত গৰকা ৰুমা প্ৰথমতে সকলোৰে আদৰৰ আছিল । কিন্তু দেউতাকৰ মৃত্যুৰ দুবছৰ আগৰপৰা তাইৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহিল । তেতিয়া তাই অষ্টম শ্ৰেণীৰ ছাত্ৰী । দেউতাকে শিক্ষকতা কৰা স্কুলখনতে পঢ়িছিল তাই। কিন্তু তাই অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই এবাৰ টান নৰিয়াত পৰি শাৰীৰিক আৰু মানসিকভাৱে পংগু হৈ পৰিল। মেধাৰী ৰুমাৰ স্মৃতি শক্তি হ্ৰাস পালে । তেতিয়াৰ পৰাই তাই মাক আৰু ভনীয়েক হঁতৰ চকুৰ কুটা হৈ পৰিল । কিন্তু এনে সময়ত তাইৰ কাষত আছিল দেউতাক । দেউতাকে তাইৰ যত্ন নোলোৱা হ'লে তাই আজিৰ এই পৰ্য্যায়তো জীয়াই থাকিবলৈ সক্ষম নহ'লহেঁতেন । দেউতাকৰ বহুত যত্ন আৰু ত্যাগৰ বিনিময়ত ব্যয়বহুল চিকিৎসাৰ সহায়ত তাই দুবছৰৰ মূৰত সেই পংগু জীৱনৰ পৰা বহুখিনি মুক্তি পালে । তাই সম্পূৰ্ণ সুস্থ হৈ উঠিব নোৱাৰিলেও বহুখিনি ভাললৈ আহিল । আগতে আনৰ সহায় নোহোৱাকৈ খোজকাঢ়িব নোৱাৰিছিল । কিন্তু, তাই দুবছৰৰ শুশ্ৰূষা আৰু চিকিৎসাৰ অন্তত লেকেচিয়াই লেকেচিয়াই অকলে খোজকাঢ়িব পৰা হ'ল, ঘৰৰ কাম-বন নিয়াৰিকৈ কৰিব পৰা হ'ল আৰু মানসিকভাৱেও কিছু সুস্থিৰ হ'ল, স্মৃতি শক্তিৰ উন্নতি ঘটিল। কিন্তু তাই পঢ়া-শুনা কৰাৰ জোখেৰে সুস্থ হ'ব নোৱাৰিলে । সেয়েহে তাইৰ শিক্ষা জীৱনৰ সিমানতে সামৰণি পৰিল । এনেদৰে তাই পংগুত্বৰ পৰা অলপ সকাহ পোৱাৰ সময়তে আকৌ তাইৰ জীৱনলৈ নামি আহিল এজাক ধুমুহা । স্কুলৰ পৰা ওভতাৰ সময়তে দেউতাকে দুৰ্ঘটনাত পতিত হৈ মৃত্যুক অকোঁৱালি লবলগীয়া হয় । ইয়াৰ পিছত আৰম্ভ হ'ল আকৌ তাইৰ সীমাহীন দুঃখময় জীৱন । মাক-ভনীয়েক হঁতৰ দুৰ্ব্যৱহাৰে তাইৰ জীৱনটো অধিক বিষময় কৰি তুলিলে । মাতৃ হেনো মমতাৰ প্ৰতীক, সাদৰী । তেন্তে তাইৰ মাকে কিয় তাইক তেনে ব্যৱহাৰ কৰে তাই বুজি নাপায় । ভনীয়েকহঁতেও তাইক ঘৰৰ বন কৰা ছোৱালীৰ দৰে ব্যৱহাৰ কৰে । অৱশ্যে ভায়েক অৰূপ এই ক্ষেত্ৰত নিষ্ক্ৰিয় । তাই ঘৰৰ সকলো কাম লেকেচিয়াই লেকেচিয়াই কৰে আৰু ভনীয়েকহঁতৰ আল-পৈচান ধৰে । সিহঁতে প্ৰায়ে গা ধুই তিয়াই

থোৱা কাপোৰ যোৰো ৰুমাক ধুবলৈ দি থৈ কলেজলৈ যায়। আগতে সিহঁতে ৰুমাক 'ৰুমাবা' বুলি মাতিছিল, কিন্তু তাইক এতিয়া সিহঁতে 'ৰুমা' বুলিহে মাতে । তাইৰ দুখ লাগে, খুবেই দুখ লাগে । তাই ইমানখিনি কৰাৰ পিছতো তাই কাৰো মুখৰ ভাল মাত এষাৰি নাপায় । মাকে প্ৰায়ে তাইৰ চিকিৎসাৰ বিনিময়ত কিমান খৰচ হল তাকে তাইক শুনাই থাকে । তাইৰ নিজৰ জীৱনটোৰ ওপৰতে ধিক্কাৰ জন্মে । তাই কেতিয়াবা ভাবে, সেই টান নৰিয়াত তাই কিয় মৰি নগ'ল, কিয় তাই আজি মৰি মৰি জীয়াই থাকিবলগা হৈছে? বিধিয়ে তাইৰ কপালত ইয়াকেহে লিখি ৰাখিছেনে ? কেতিয়াবা তাই নিজৰ ভাগ্যকে দোষাৰোপ কৰে । মাজে মাজে তাইৰ দেউতাকৰ ওপৰত খুউব খং উঠে আৰু অভিমান হয়, কিয় তাইক দেউতাকে এনেদৰে নিথৰুৱা কৰি এৰি থৈ গ'ল বুলি । দেউতাক থকা হ'লে আজি তাইৰ এই দশা নহ'লহেঁতেন । যি গৰাকী পিতৃৰ কষ্ট স্বীকাৰৰ বিনিময়ত তাই আজি আনৰ সহায় নোলোৱাকৈ জীয়াই থাকিব পাৰিছে সেই গৰাকী পিতৃৰ মৃত্যুৰ সময়ত তাই তেখেতৰ শুশ্ৰূষা কৰিবলৈ সুযোগ নাপালে। ইয়াতকৈ পৰিতাপৰ কথা আৰু কি থাকিব পাৰে ?

আঠাইশ বছৰীয়া ৰুমাক পংগু বুলি কোনেও আজিলৈকে বিয়াৰ কাৰণে খবৰ কৰা নাই আৰু চাগে কেতিয়াও নকৰিব । ৰুমাক মাকে চাগে বোজা বুলি ভাবে সেইকাৰণে। কিন্তু তাইতো তাৰ কাৰণে জগৰীয়া নহয় । তাইৰ পংগুত্বৰ কাৰণে তাই জানো জগৰীয়া ? কিন্তু মাকে সীমা আৰু ৰীমাক কলেজত পঢ়া বুলি খুউব মৰম কৰে । কিন্তু ৰুমাওতো এনেকুৱা বিপৰ্য্যয়ৰ সম্মুখীন নহ'লে কলেজত পঢ়ি উচ্চশিক্ষিতা হব পাৰিলহেঁতেন । সীমা আৰু ৰীমাৰ তুলনাত তাই পঢ়া-শুনাত খুউব চোকা আছিল । পঢ়া-শুনাত দুৰ্বল সীমা আৰু ৰীমাই কোনোমতে চুচৰি বাগৰি মেট্ৰিক পৰীক্ষাৰ দেওনাখন দুই তিনিবাৰকৈ পৰীক্ষা দি 'পাছ' কৰিলে আৰু এতিয়া কলেজলৈ অহা -যোৱা কৰি আছে । সিহঁত দুজনীয়ে কেতিয়াবাই কলেজৰ শিক্ষা সাং কৰিব লাগিছিল, কিন্তু মেট্ৰিক পৰীক্ষাতো আৰু কলেজৰ পৰীক্ষাতো বাৰে বাৰে বিফল হোৱা কাৰণে সিহঁত দুয়োজনীৰো কলেজৰ শিক্ষা এতিয়ালৈকে সম্পূৰ্ণ নহ'ল। ৰুমাই এদিন ওচৰৰে ৰুমলা খুড়ীহঁতৰ ঘৰলৈ পালেং শাক আনিবলৈ যাওঁতে বাটতে লগ পালে অঞ্জু বাইদেউক । অঞ্জু বাইদেউ হ'ল ৰুমাৰ দেউতাকে শিক্ষকতা কৰা স্কুলখন যিখন সৰু চহৰত অৱস্থিত, সেইখন চহৰৰে 'আশ্ৰয়' নামৰ অনাথ আশ্ৰমখনৰ মালিক আৰু পৰিচালিকা । কেও কিছু নোহোৱা অঞ্জু বাইদেউৰ অনাথ আশ্ৰমখনেই জীয়াই থকাৰ এক মাত্ৰ উৎস । ৰুমাই স্কুলত পঢ়ি থাকোঁতে স্কুললৈ গলে প্ৰায়ে অঞ্জু বাইদেউক লগ পাইছিল । অঞ্জু বাইদেউৱে ৰুমাক বৰ মৰম কৰিছিল। কিন্তু ৰুমাৰ দুৰ্যোগৰ পিছৰপৰা, তাইৰ পঢ়া-শুনা বাদ হোৱাৰ পৰা অঞ্জু বাইদেউক তাই লগ পোৱা নাই । ক'বলৈ গলে ৰুমাই পংগু হোৱাৰ পৰা চিকিৎসাৰ বাদে বাহিৰলৈ যোৱাই নাই । অঞ্জু বাইদেউৱে ৰুমা পংগু হোৱাৰ সময়ত তাইৰ চিকিৎসাৰ বাবে অৰ্থ সাহায্য কিছু প্ৰদান কৰিছিল । সেই তেতিয়াৰ পৰা ৰুমাৰ আৰু অঞ্জু বাইদেউৰ লগত দেখা-সাক্ষাত হোৱা নাই । ৰুমাই সুস্থ হোৱাৰ পিছত এবাৰ গৈ অঞ্জু বাইদেউক দেখা কৰাৰ কথা ভাবিছিল । কিন্তু তাই ইমান দূৰ বাট লেকেচিয়াই লেকেচিয়াই যায় কেনেকৈ ? কিবা এটা ব্যৱস্থা কৰি তাইক লৈ যাবলৈয়োতো কোনো নাই, দেউতাক থাকিলে নিশ্চয় কিবা এটা কৰিলেহেঁতেন । অত বছৰৰ মূৰত আজি অঞ্জু বাইদেউক দেখি ৰুমা আচৰিত হল,তাইৰ খুউব আনন্দও লাগিল । পোন্ধৰ বছৰৰ আগৰ অঞ্জু বাইদেউ আৰু এতিয়াৰ অঞ্জু বাইদেউৰ মাজত ৰুমাই কিছু পাৰ্থক্য দেখিলে । অঞ্জু বাইদেউৰ মুখত বয়সৰ চাপ পৰিছে । খবৰ পাতি লোৱাৰ পিছত অঞ্জু বাইদেউৱে তাইক ক'লে, "ৰুমা' মই তোমাৰ সকলো কথা গম পাইছোঁ । তুমি বুকুত যি কুৱা জুই ৰাখি জীয়াই আছা সেইকুৱা জুইৰ উমান মই বহুদিন আগতেই পাইছোঁ।" তেখেতৰ কথাশুনি ৰুমা হত বাক । বাইদেউৱে কয় কি ? বাইদেউৱে তাইৰ সকলো কথা গম পাইছে নেকি ? কিন্তু কেনেকৈ ? তাইতো এইবোৰ কথা কাৰো আগতে কোৱা নাই! তাইৰ মনোভাব বুজিব পাৰি তাই কিবা এটা কোৱাৰ আগতে অঞ্জু বাইদেউৱে ক'লে, "বুজিছা, বেৰৰো কাণ থাকে ।

তোমালোকৰ ঘৰত যে মাজে মাজে কাম কৰিবলৈ ল'ৰা এজন গৈ আছিল, প্ৰবীন,সি এতিয়া আমাৰ অনাথ আশ্ৰমখনতে চকিদাৰৰ কাম কৰে । সিয়েই মোক তোমাৰ বিষয়ে সকলো কথা কৈছে ।" হয়তো, ৰুমাৰ এতিয়াহে মনত পৰিল। প্ৰবীন সিহঁতৰ ঘৰলৈ কাম কৰিবলৈ আহোঁতে বহু কেইবাৰ তাইক ঘৰৰ মানুহে কৰা দুৰ্ব্যৱহাৰ নিজ চকুৰে দেখিছে। গতিকে মই এটা কথা ভাবিছোঁ- অঞ্জু বাইদেউৱে আকৌ মাত লগালে- "তুমি যদি আপত্তি নকৰা তেন্তে আমাৰ আশ্ৰমখনতে তুমিও এটা চাকৰি কৰিব পাৰা । ল'ৰা-ছোৱালীবোৰৰ চোৱা-চিতা কৰিব লাগিব, সিহঁতক পুৱা-গধুলি পঢ়ুৱাব লাগিব ।তুমি অষ্টম শ্ৰেণীলৈকেহে পঢ়িছা যদিও তুমি পঢ়াশুনাত ভাল আছিলা । গতিকে তুমি নিশ্চয় সৰু ল'ৰা-ছোৱালী কেইটাক পঢ়ুৱাব পাৰিবা । লগতে সিহঁতক খেলা-ধুলা কৰাৰ সময়ত চকু দিব লাগিব । মোৰ বিশ্বাস আছে তুমি পাৰিবা । তুমিও ব্যস্ত হৈ থাকিব পাৰিবা, মন প্ৰফুল্ল হৈ থাকিব ।এতিয়া তুমি কি সিদ্ধান্ত লোৱা সেয়া তোমাৰ ওপৰত এৰি দিছোঁ । তোমাক আজিৰ দিনটো চিন্তা কৰিবলৈ সময় দিলোঁ । কাইলৈ প্ৰবীণক মই পঠাই দিম তাৰ আগতেই তোমাৰ সিদ্ধান্তটো জনাবা ।এতিয়া মই আহিলোঁ ।" এই খিনি কৈ অঞ্জু বাইদেউ গুচি গ'ল ।তাইক কিবা এষাৰ কবলৈও সুযোগ নিদিলে ।

ৰুমাই ৰমলা খুড়ীহঁতৰ ঘৰৰ পৰা আহি গোটেই ৰাতি অঞ্জু বাইদেউৱে কোৱা কথাখিনিকে চিন্তা কৰিবলৈ ধৰিলে ।অঞ্জু বাইদেউৱে কোৱা কথাখিনি অযুক্তিকৰ নহয় । সঁচাই, তাইৰ নিজৰ ঘৰখনতে জীয়াই থকাটো কঠিন হৈ পৰিছে। মাকৰ কঠোৰ গোমা মুখ খন দেখিলে তাইৰ নিজৰ জীৱনটোকে অভিশপ্ত জীৱন যেন বোধ হয় । মাকৰ খঙত ৰঙা পৰা চকু দুটা, মাকৰ হিয়াত জ্বলি থকা বিৰক্তিৰ ৰঙা জুই, এই সকলোবোৰ যেন সিহঁতৰ পদূলি মুৰত ফুলি থকা ৰঙা মদাৰ ফুলবোৰহে ।আৰু তাইৰ হিয়াত জ্বলি থকা বেদনাৰ জুইবোৰ ; সেইবোৰ জানো মদাৰ ফুলৰ দৰে মূল্যহীন নহয় ? তাইৰ জীৱনটোৱেইতো মদাৰ ফুলৰ দৰে মূল্যহীন ।মদাৰ ফুল একো কামতে নালাগে, ইয়াৰ সুগন্ধও নাই।মদাৰ গছৰ কাঠো একো কামৰে উপযোগী নহয় ।মদাৰ ফুলে মাথো আকাশ ৰাঙলী কৰি ফুলিব জানে, জানে মাথোঁ আকাশ আৰু কিছুমান মানুহৰ মনত জুই জ্বলাবলৈ । আৰু তাই? তায়োতো কাৰোবাৰ কাৰোবাৰ মনত জুই জ্বলোৱাৰ বাহিৰে একো কৰিব পৰা নাই। তেন্তে কিহৰ বাবে এই জীৱন ? কিন্তু তাইৰ দেউতাকৰ স্মৃতিৰে ভৰুণ নিজৰ ঘৰখন এৰি যাবৰ মন নাই । আনহাতে ইয়াৰ বাহিৰে তাইৰ গত্যন্তৰে বা আছে কি ? হওঁক তথাপিও তাই অনাথ আশ্ৰমখনতে শান্তিৰে দিন পাৰ কৰিব পাৰিব । মাকৰ বুকুত জ্বলিথকা মদাৰৰ জুই কুৰা তাই অন্ততঃ নেদেখাকৈ থাকিব পাৰিব ।অনাথ আশ্ৰমখনে বহুতো অনাথ শিশুক আশ্ৰয় দিয়াৰ দৰে তাইকো আকোঁৱালি ল'ব ।তাইয়ো আশ্ৰমখনত অনাথ ল'ৰা-ছোৱালীবোৰক লৈয়ে ব্যস্ত থাকিব পাৰিব ।তাইৰ এনে লাগিল যেন তাইৰ মদাৰৰ দৰে সুবাসহীন কোনো কামতে নলগা জীৱনটোৱেও সমাজৰ কল্যাণ সাধিব পাৰিব । তাই জানে মদাৰ ফুলৰ সুবাস নাই ।তথাপিও আজি ৰুমাই তাইৰ মদাৰ ফুলৰ দৰে সুবাসহীন জীৱনটোৰ দ্বাৰা অনাথ আশ্ৰমখনত সুবাস বিলাব বিচাৰিছে।তাই কাইলৈ প্ৰবীণক অঞ্জু বাইদেউৰ কথাত সন্মতি প্ৰদান কৰা বুলি জনাবলৈ সিদ্ধান্ত ল'লে ।বাৰে বাৰে তাইৰ মনত এটা প্ৰশ্নই খেলি গ'ল- "পাৰিবনে তাই মদাৰৰ সুবাস বিলাববলৈ ?" □□□

# সপোন

দিব্যজ্যোতি কলিতা
স্নাতক ১ ম বৰ্ষ (বিজ্ঞান)

ভাতকেইটা খাবৰো যেন ধৈৰ্য্য নাই মোৰ। এনে লাগিল যেন টোপনিটোৱে মোক গিলি পেলালেই। সৰুতে দিনটো খেলি, খেৰৰ জুপুৰীত বাগৰি, গধুলি হ'লেই যে আগুৰি ধৰিছিল, সেই টোপনিটোৱে আজি যেন নতুনকৈ মোক গ্ৰাস কৰিবলৈ পালে। ভাতকেইটা খোৱা হ'লেনে নাই, হাতখন ধুই নমচাকৈয়ে বিচনাত দীঘল দি পৰিলো।

মই আজি ক'লেজলৈ গৈছিলো। কলেজৰ এডমিচন। মেট্ৰিকত কোনোমতে প্ৰথম বিভাগ পোৱা মাৰ্কছিটখন লৈ দিনৰ দিনটো অপেক্ষাত থাকিলো অলেখ নিযুত সপোন দেখি। বহু ছাত্ৰ গ'লগৈ নিজৰ কাম সমাপন কৰি। হঠাৎ মোৰ মূৰত পোৱা এটি আঘাতত মই মৃতপ্ৰায় হৈ পৰিলো। ঘোষণা কৰিলে যে ক'লেজৰ আৰু আসন নাই। কেৱল অনুসুচিত জাতিৰ বাবে সংৰক্ষিত কেইটিমান ছিটহে আছে। মোৰ মনটো হতাশ বিষাদেৰে ভৰি পৰিল। মই এজনক কথাটো ক'ব গৈছিলোহে, কিবা এটা কোৱা দূৰৰ কথা মোৰ কথাকে নুশুনিলে, মই ক'লেজৰ বাহিৰলৈ আহিলো। কি কৰিম ভাবিবলৈ মগজু যেন শক্তি বিহীন হৈ পৰিছে।

........এখন মুকলি ঠাই। ঠাইখনত বালিৰ বাবে ভাগৰুৱা মানুহৰ দৰে খোজ কাঢ়িব লগা হয়। কিতাপত পঢ়ামতে এয়াটো মৰুভূমি। মোৰ মনটো ভাৰাক্ৰান্ত। আমি দেশৰ ভৱিষ্যত। তেন্তে ক'লেজত আমাক কিয় তেনেকৈ ওভতালে? আৰু অনুসূচীত জাতিৰ ছাত্ৰবোৰৰ একা? সিহতৰ নম্বৰ কম হ'লেও মগজু ভাল? এজন অচিনাকি ল'ৰাই মোক কৈছিল- "কলা শাখাত পাবা, তাতেই নামটো লগোৱা।" তাৰ মানে মোৰ বিজ্ঞান পঢ়াৰ যোগ্যতা নাই? মই এৰিব লাগিব মোৰ সপোন?.........

মই চমক খাই উঠিলো। কিবা এটা বগা বস্তুই বালিৰ ওপৰত ইপিনে সিপিনে অহা যোৱা কৰি আছে। কিতাপত যে পাইছিলো মৰিছীকা! এয়াই মৰিছীকা নেকি? কিন্তু মৰিছীকা ইমান ওচৰত দেখা যায় জানো? মই গৈ কাষ পালো। ভালকৈ চাই দেখিলো শুভ্ৰ কাপোৰ পৰিধান কৰা এজন ব্যক্তিয়ে বালিত কিবা অংক কৰিছে। মই জানিব বিচৰাত মানুহজনে কোমল মাতেৰে ক'লে- "বোপাই, য'তে পৰিম ত'তে গজিম বুলি ভাবিবা। আকাশ ফুটাব নোৱাৰিলেও ধৰনিকে কপাই দিয়া। মই দিয়া শূণ্যৰ ধাৰনাটোৰ অবিহনে গণিত বিজ্ঞানে কিমান উন্নতি কৰিলে হেতেন? তথাপি মোৰ নামটো আমাৰ ভাৰততে কিমানজনে জানে?"............

অকস্মাত এক প্ৰচণ্ড বতাহে ধূলিময় কৰি তুলিলে চাৰিও ফালে। চকুৰে মণিব নোৱাৰা অৱস্থা। ক্ষন্তেকতে বৰষুণ আহিলতহে ধূলিৰ চাপ কমিল। সেই মানুহজন ক'লৈ গ'ল? কিবা এটা শব্দ হোৱাতহে গম পালো- শিতানৰ গাৰুটো মাটিত পৰিল। ☐☐☐

# প্ৰতিশ্ৰুতি

কল্পনা দেৱী
স্নাতক প্ৰথম বৰ্ষ (কলা)

মাঘৰ পূৰ্ণিমা । অইন বছৰৰ দৰে এই বেলিও সৃজনা হঁতৰ ঘৰত পাতিছে "শ্ৰীস্বচতানী" পূজা, সৃজনাৰ গাত আজি তত্ নাই, কাৰণ তাই আজি ব্যস্ত আলহীক আপ্যায়ন কৰাত । মানুহৰ সমাগম, কোনোবা আহিছে, কোনোবা গৈছে । বান্ধৱী কেইজনীক গেটলৈ আগবঢ়াই দিবলৈ যাওতে সৃজনাই দেখিলে চহৰৰ পৰা মামা-মামী আৰু বহুতো আলহী । মামাৰ ল'ৰাটোক কোলাত লৈ তাই তেওঁলোকক ভিতৰলৈ লৈ আহিল । গোটেই কেইজনক বহিবলৈ দিওঁতে তাই দেখিলে এজন অচিনাকী যুৱক । তাইলৈ একেথৰে চাই থকা দেখি তাই মামীয়েকৰ ফালে চাওঁতে মামীয়ে ক'লে- "সৃজনা, তুমি চাগে এওঁক চিনি পোৱা নাই । এওঁ অনিমেষ । আমাৰ ওচৰতে থাকে । আৰু অনিমেষ এইয়া আমাৰ ৰাংঢালী ভাগিনী ।" সৃজনাই নমস্কাৰ কৰিলে । ল'ৰাজনেও নমস্কাৰ জনালে । তাই একো নকৈ মামীহঁতৰ বাবে চাহ আনিবলৈ গল । চাহ খাই উঠি সকলোৱে পূজাৰ বাবে সাজু হল । প্ৰসাদ খোৱাৰ পিছতে মামীয়ে কলে- সৃজনা, তোমাক ক··· পাহৰিছোৱে আমাৰ অনিমেষে ধুনীয়া কীৰ্তন গাব পাৰে, তাল খোলৰ ব্যৱস্থা কৰাছোন । সৃজনাই হাঁহি- হাঁহি কলে- কি কৈছা মামী, এওঁ ভজন কীৰ্তন কৰে ? তুমি মন্দিৰৰ পৰা কোনোবা পূজাৰী লৈ আহিছা নেকি ? এওঁ দেখোন গুলচন কুমাৰৰ ভাত মাৰিব । সৃজনাই ইতিকিং কৰি কোৱা স্বত্বেও অমিমেষে কোনা বিৰূপ মন্তব্য নকৰাকৈ কলে- 'আপুনি ভুল বুজিছে, মই ইমান ওপৰৰ গায়ক নহয় । মাথো ভগৱানৰ স্তুতি কৰি ভাল পাওঁ । সৃজনাই লাজ পালে তাই তাক দমাবলৈ কথাযাৰ কৈছিল যদিও সি মৃদু হাঁহিৰে সকলোকে ক্ষন্তেকতে আপোন কৰি ললে । সৃজনাই আমন জিমনকৈ বহি থকা দেখি অনিমেষে কলে- প্লিজ সৃজনা বা আহক না । আমি ইমান দুৰৰ পৰা আপোনালোকৰ ঘৰলৈ আহিছো আৰু আপুনি আমাক সঙ্গ নিদিয়েনে ? প্লিজ ৰিকুৱেষ্ট কৰিছো । সৃজনাৰ বান্ধৱী কেইজনীয়ে তাইক জোৰ কৰি লৈ গ'ল ।

গোটেই ৰাতি নাম কীৰ্তন হল । পিচদিনাখন অনিমেষ যাব । কিন্তু ভগৱানৰ বা কি ইচ্ছা আছিল, অসম বন্ধ হল । অনিমেষহঁত যাব নোৱাৰিলে । কিয় জানো অনিমেষৰ আগত ওলাবলৈ সৃজনাৰ লাজ লাগে । সেইয়ে তাই ওচৰতে থকা বাইদেউৰ ঘৰলৈ গুচি গল । সৃজনাই বাইদেউৰ ঘৰত চাহ বনাবলৈ লৈছিলহে মাত্ৰ, তেনেতে কোনোবা আলহী অহাৰ উমান পালে । সৃজনা, কোনোবাই তোক বিচাৰি আহিছে । বাইদেউৰ কথাত তাই আচৰিত হল, তাইক বিচাৰি ইয়াত আৰু কোন আহিব পাৰে ? ড্ৰয়িংৰুমত আহি দেখিলে মিচিকিয়া হাঁহিৰে সেইয়া অনিমেষ । তাই মনতে ভাবিলে- এই গাধটোৱে প্ৰতিশোধ লবলৈ মোৰ পিচ ধৰা নাইতো ? মুখেৰে একো নমতাকৈ তাই ভিতৰলৈ সোমাল । বাইদেৱেকে সিহঁতৰ লগত কথা পাতিলে । তাই চাহ লৈ ওলাই আহোতে বাইদেৱেকে কলে- সৃজনা, অসম বন্ধ বাবে এওঁলোক যাব নোৱাৰিলে । তই অলপ গাওঁখনকে ফুৰাই নিদিয় কিয় ? অনিমেষে চাগে খুব ভাল পালে বাইদেউৰ কথাত । সেয়েহে সি কলে- হয় বাইদেউ খুব ব'ৰ লাগিছে । অকণমান ওলাবলৈ পালে মজা লাগিব । সৃজনাৰ কিন্তু পেটে পেটে খং উঠিল ।

সৃজনাই তাইৰ দুজনীমান বান্ধৱীক মাতিলে আৰু

অনিমেষক ফুৰাবলৈ লৈ গল । অনিমেষে ঠাইডোখৰ ইমান ভাল পালে যে তাই আচৰিত হল। সি সৃজনাক মাতিলে আহকনা । ইয়াৰ পৰা সৌ পাহাৰখন ইমান ধুনীয়া দেখি । সৃজনাই অলপ ৰুক্ষ সুৰত কলে- মই আপোনাৰ গাইড নহয়, যেনেকে মন যায় তেনেকৈ উপভোগ কৰক । তথাপিও অনিমেষৰ খং নাই, সি হাঁহি হাঁহি কলে- বেয়া নাপাব, আপোনাক কষ্ট দি মই ফুৰ্তি কৰিছো । ইয়াৰ প্ৰাকৃতিক সৌন্দয্যই আৰু আপোনাৰ ব্যৱহাৰে মোক মুহি পেলাইছে । বিশ্বাস কৰক ইমান ধুনীয়া পাহাৰ মই কোনো দিনে দেখা নাই । সেয়ে আবেগিক হৈ পৰিলো । সৃজনাই উষ্মাৰে কলে- মনত ৰাখিব- "দুৰণীৰ পাহাৰ দেখিবলৈ শুৱনি ।" অনিমেষে কলে- দুৰৈৰ পৰা উপভোগ কৰিব পাৰি পাহাৰৰ সৌন্দৰ্য্য । অনিমেষৰ কথাত সৃজনাৰ ইমান খং উঠিল যে তাই নিজকে চম্ভালিব নোৱাৰি বান্ধৱীকেইজনীক চিঞৰিলে 'অই তঁহতৰ প্ৰাকৃতিক সৌন্দৰ্য্য চাইয়ে যদি পেট ভৰে ইয়াতে থাক । মই গুচি যাওঁ । এইবুলি কাকো বাই নোচোৱাকৈ তাই উভতিল । উপায়হীন হৈ বান্ধৱীকেইজনী আৰু অনিমেষ পিচে পিচে আহিল । ওচৰলৈ আহি অনিমেষে কলে- আপোনাক অশেষ ধন্যবাদ, ইমান ধুনীয়া এই ঠাইডোখৰ মই জীৱনত পাহৰিব নোৱাৰো। মই অৱশ্যে বাইদেৱে কোৱাৰ কাৰণেহে আহিছো ।

পিচদিনা ৰাতিপুৱা অনিমেষহত গ'ল । সকলোকে আকৌ অহাৰ প্ৰতিশ্ৰুতি দিলে । সি কলে-আপোনালোকৰ শুৱনি গাওঁখনে মোক আকৌ ইয়ালৈ আহিবলৈ বাধ্য কৰাব।

সিহঁত যোৱাৰ পিচত বান্ধৱীকেইজনীয়ে তাইক জোকাবলৈ ধৰিলে । তাইৰো কিবা খালি খালি লগা হল । তথাপি তাই ভাবিলে-দুদিন মান বেয়া লাগিব তাৰ পিচত সকলো ঠিক । তাইৰ পৰীক্ষা আহিছে; সৃজনাই পঢ়াত মন দিলে ।

এক চেপ্তেম্বৰ সৃজনাৰ জন্ম দিন । সকলো বন্ধু-বান্ধৱীয়ে তাইক শুভেচ্ছা জনাই আছে । এনেতে অচিনাকী নম্বৰৰ পৰা তাইলৈ ফোন আহিল। "হেল্লো; হেপি বাৰ্থডে টু য়ু।" তাই নম্ৰ সুৰত কলে- ক্ষমা কৰিব, মই আপোনাক ঠিক ধৰিব পৰা নাই । সিমুৰৰ পৰা কলে- নিশ্চয় পাহৰিছে । ৰব ফোন নাকাটিব, মই সৌন্দৰ্য্য ভাল পোৱা ল'ৰাটো , চিনি পালেনে.... ? সৃজনাই বান্ধৱীকেইজনীৰ ওপৰত খং কৰিলে। সেই গাধটোক আজি মোৰ জন্মদিন বুলি কোনে কৈছে ? বান্ধৱীকেইজনীয়ে কোৱা নাই বুলি সকলোৱে শপত খালে ।

হুমাহমান গল । তাইয়ো সকলোবোৰ কথাই পাহৰিলে এনেতে সৰু মামাক সিহঁতৰ ঘৰলৈ আহিল । মামাকক দেখি সৃজনাই সাবটি ধৰিলে, মোমায়েকেও তাইক চুমা খাই কলে- মই তোমাক নিবলৈ আহিছো । কিয় মামা ? কিবা আছে নেকি? "বিয়া পাতিম, মামীয়েৰাক তুমি পছন্দ কৰিব লাগিব।" সৃজনাই ফুৰ্তিতে চিঞৰিলে। এনেতে দেউতাক সোমাই আহি কলে- সেয়ে হবলা তোৰ গাত তত্ নাই, কিন্তু তই যে যাব নোৱাৰ সেইটো পাহৰিলি । তাই সেমেকা চকুৰে সুধিলে কিয় দেউতা? মাকে কলে- মাজনী তই এইবাৰ মেট্ৰিক দিবি নহয় সেয়ে পৰীক্ষাৰ আগতে কলৈকো যাব নোৱাৰ। তাই মন বেয়া কৰা দেখি দেউতাকে কলে- হব যাবি । কিন্তু এতিয়াই নহয় বিয়াৰ দুদিন আগত।

চহৰত মোমায়েকৰ বিয়া । তাই কি কিনিব , কি নিকিনিব বান্ধৱীহঁতৰ লগত সৃজনাই আলোচনা কৰিলে । চহৰৰ ছোৱালীবোৰে বা কেনেকুৱা পিন্ধে ? তাইক গাওঁলীয়া বুলি হাঁহিব নেকি ?

নিৰ্দিষ্ট দিনত দেউতাকৰ লগত তাই মোমায়েকৰ ঘৰলৈ ওলাল । গেটৰ সম্মুখত উপস্থিত হৈ তাই দেখিলে অভ্যৰ্থনা কৰিবলৈ বৈ আছে অনিমেষ । পোনে পোনে সি দেউতাকৰ ভৰি চুই সেৱা কৰিলে আৰু সৃজনাৰ ফালে চাই হাঁহি মাৰি কলে- বাটত একো অসুবিধা হোৱা নাইতো ।

ক্ষন্তেক জিৰণী লৈ তাই মামীয়েকহঁতৰ লগত ব্যস্ত হৈ পৰিল । অনিমেষে কথা পাতিব বিচাৰিলেও তাই কিন্তু আতৰি থাকিল । বিয়া শেষ হোৱাৰ পিচত অনিমেষক মাত নিদিয়াকৈ দেউতাকৰ লগত গুচি আহিল ।

এবছৰৰ পিচত আকৌ এক চেপ্তেম্বৰ আহিল । এইবাৰ সৃজনাক আটায়ে পাৰ্টী দিব লাগিব বুলি কলে । তাই কথাটো

দেউতাকক কোৱাত দেউতাকে পাৰ্টী দিবলৈ ৰাজী হ'ল ।

উখল-মাখল পৰিবেশ, সকলো বন্ধু-বান্ধৱীয়ে গোট খাইছে । ঠিক কেক কটাৰ সময়তে সৃজনাৰ মোৱাইল ফোনটো বাজি উঠিল । সিমুৰৰ পৰা কলে- হেপি বাৰ্থডে, মেনি মেনি ৰিটাৰ্নছ্ অফ দ ডে । সৃজনা আচৰিত হল। এই ল'ৰাটো কি আচৰিত! ইমান ভাল পায় তাইক অথচ এবছৰৰ মুৰত এবাৰহে ফোন কৰে । তাই মোবাইল কাণত লৈ চুপচাপ থকা দেখি দেউতাকে আহি মোবাইল লৈ হেল্ল বুলি কোৱাত সিমুৰৰ পৰা জানো কি কলে, দেউতাকে খুব উৎফুল্লিত হৈ কলে- অ' অনিমেষ তোমাক বেয়া পাইছো, মাজনীৰ জন্মদিনত তুমি ইয়ালৈ আহি শুভেচ্ছা দিয়াৰ পৰিৰ্বতে ফোনেৰে শুভেচ্ছা দিছা.....? অনিমেষৰ লগত কথা পাতি পাতি দেউতাক বাহিৰলৈ ওলাই গল।

ৰাতি খাই বৈ সকলো ঘৰাঘৰি যোৱাৰ পিচত তাই ভাগৰ অনুভৱ কৰিলে । মুখ ধুবলৈ বাথৰুমলৈ যাওঁতে তাই শুনিলে দেউতাকে মাকৰ লগত কথা পাতিছে - "শুনিছানে, অনিমেষ ল'ৰাজন ইমান ভাল । তাৰ মাক-দেউতাকে বহু পুণ্য কৰিছিল হবলা, সেয়ে ইমান ভাল ল'ৰা পাইছে ।" তাই ভাবিলে, ল'ৰাজন সচাঁকৈ ভাল নেকি ? বান্ধৱীবোৰেতো তাৰ প্ৰশংসা কৰি থাকে । তাইক ফচাবলৈ সিয়ে ফান্দ পাতি যোৱা বুলি তাই ভাবিছিল, কিন্তু দেউতাই ...? তাই চকু দুটা মুদি তাৰ ছবিখন মনলৈ আনি চালে । সচাঁকৈ ইমান দিনে তাই তাৰ দোষবোৰহে দেখি আছিল, আজি তাৰ গুনবোৰ চালে । হয়তো তাই নজনাকৈয়ে তাৰ অন্তৰত সি ঠাই ললে । গোটেই ৰাতি চিন্তা কৰাৰ পিচত তাই ভাবিলে, দেউতাই ভাল বুলি কৈছে যেতিয়া নিশ্চয় ল'ৰাজন ভালেই হব । তাই ৰাতিপুৱাই মেচেজ কৰিলে "আই লাভ য়ু" বুলি । লগে লগে তাইলৈ ফোন আহিল, ইমান ফুৰ্তি হেনো তাৰ কেতিয়াও লগা নাছিল।

এনেকৈয়ে সিহঁতৰ দিনবোৰ পাৰ হল । বছৰত এবাৰহে সিহঁতে লগ ধৰে । ভগবানক সাক্ষী ৰাখি সিহঁতে বহু কথাই পাতে। সপোন ৰচে।


ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি, সিহঁতৰো জীৱনত বিধিয়ে বাট আগচিলে । তাইৰ প্ৰেমৰ বতৰা বতাহে বিয়াপাই দিলে । মাক দেউতাকে গম পালে । তথাপি তাই ভয় খোৱা নাছিল । তাই ঘৰত সচাঁ কথাটো কলে । অনিমেষক ঘৰলৈ মাতি পঠালে । সি আহিল বন্ধু এজনৰ লগত । বিয়াৰ ৰাহি যোৰা মিলাবলৈ পণ্ডিত মাতিলে। পণ্ডিতে গোত্ৰ সুধিলে। যেতিয়া অনিমেষে নিজৰ গোত্ৰ কলে আটাইৰে চকু কপালত উঠিল - কাৰণ সৃজনা আৰু অনিমেষৰ গোত্ৰ একেই। বামুনে লগে লগে নহব বুলি কলে। যদি বিবাহ হয়, তেন্তে দুয়ো পৰিয়ালৰ ভীষণ ক্ষতি হব বুলিও কলে। সৃজনাই কান্দিবলৈ ধৰিলে। দেউতাকে বহু জনা শুনা মানুহ মাতি আনিলে। সকলোৱে জ্যোতিষ শাস্ত্ৰ মেলিলে। কিন্তু কোনেও হব বুলি কব নোৱাৰিলে।

অনিমেষে অন্তৰত ডাঙৰ আঘাত লৈ গুচি গ'ল। সৃজনাও লাহে লাহে ক্ষীনাই যাবলৈ ধৰিলে। অনিমেষে দুয়ো পলাই গৈ মন্দিৰত বিয়া পতাৰ কথা কলে। তাই মাকক কথাটো কলে। মাক জাঙুৰ খাই উঠিল আৰু দেউতাকক কলে। মাক দেউতাই তাইক বহুত বুজালে। তাই কান্দি কান্দি মাকক সাবটি ধৰিলে।

সৃজনাই ভাবিলে এফালে প্ৰেম, আনফালে ঘৰৰ মৰম। তাই এটাহে বাচি লব লাগিব। প্ৰেমৰ বাবে তাই মাক দেউতাকক দুখ দিব নোৱাৰে। মাকে মাজে মাজে ভয় কৰে কিজানিবা সৃজনাই ভুল কৰে। তাই বুজে বহু কষ্ট হলেও মাক -দেউতাকৰ শান্তিৰ বাবে তাই অনিমেষক পাহৰি যাব। এয়া তাই মাক দেউতাকক প্ৰতিশ্ৰুতি দিছে। ▢▢▢

# এখন পুৰণি চাইকেল

জয়দেৱ বায়ন
স্নাতক ২য় বৰ্ষ



ৰাতিপুৱাৰ হিম শীতল নিয়ৰবোৰৰ মাজে মাজে পুৰণি চাইকেলখনৰ সেই পুৰণি মাতটো শুনি শুনি নিত্যানন্দ কলেজলৈ ৰাওনা হৈছিল । আঘোণৰ শুৱনী ধাননি ডৰাই হালি-জালি ৰাতি পুৱাৰ গীত গাইছিল । নিত্যানন্দই অইন দিনাৰ দৰে সেই দিনাও ৰাতিপুৱাৰ ক্লাছটো কৰাৰ উদ্দেশ্যে সোনকালে বিচনা এৰি ৰাতিপুৱাৰ প্ৰাতঃকাৰ্য্য সমাপন কৰি গাত পুৰণি চুৰেটাৰটো পিন্ধি লৈ যাত্ৰা আৰম্ভ কৰিলে। নিত্যানন্দৰ ঘৰৰ পৰা কলেজখনলৈ ছয় কিল'মিটাৰ দুৰত্ব । সি দেউতাকে দিয়া পুৰণি চাইকেলখনৰ সহায়ত কলেজলৈ যায়। ঘনকুঁৱলীৰে আৱৰা পৰিবেশত তাৰ মুখৰ পৰা ওলাইছিল কবিতাৰ কলি-

তুমি নিয়ৰ নে ধূলিকণা
আকাশৰ বসন পিন্ধি
তুমি কিয় নামি আহা
দুৰণিৰ ধাননি দৰা
আজিচোন ধোঁৱাৰে আৱৰা ।

সি ঠিক ধৰিব নোৱাৰিলে মনৰ মাজত কি ভাৱৰ আৱৰণে আহি ঢোলা দিলে। সেই সময়তে শব্দ কৰি এখন মটৰ চাইকেল তাৰ ওচৰেৰে গুচি গ'ল। তেতিয়াহে সি বাস্তৱৰ মাজলৈ ঘূৰি আহিল, সি ইতিমধ্যে ধাননিৰ মাজৰ ৰাস্তাটোৰ পৰা পকী ৰাস্তা উঠিছে। সি অনুভৱ কৰিলে তাৰ অলপ পলম হৈছে। সি ঘড়ী এটাৰ কথা অনুভৱ কৰিলে। তাৰ পুৰণি ঘড়ীটো বেয়া হৈ আছে । মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ দিনা তাৰ সম্বন্ধীয় খুৰাক এজনে ঘড়ীটো তাক উপহাৰ দিছিল । ঘড়ীটো সি ভালদৰে ৰাখি থৈছে। উপহাৰ হিচাপে পোৱাৰ সেইটো তাৰ প্ৰথম সম্পদ। আজি সি স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। তিনিটা বছৰ পাৰ হ'ল, কেতিয়াবা সি সেই ঘড়ীটোলৈ চাই গৌৰৱ অনুভৱ কৰে । তেনেতে চাইকেলখনৰ সোঁফালৰ পেদেলডালত ভৰ দিয়াত যথেষ্ট টান লাগিল, ঘপকৈ সি চাইকেলখনৰ পৰা নামি চাইকেলখন একাষত ৰাখিলে। তাৰ চকু ছাইকেলখনৰ পিচৰ চকাটোৰ ওপৰত পৰিলে । তাৰ মূৰত যেন সৰগহে ভাঙি পৰিল, তেনেকুৱা অনুভৱ কৰিলে সি । যিখিনি ঠাইত তাৰ চাইকেলখন বেয়া হৈছিল তাৰপৰা

কলেজখনলৈ বেচি দূৰ নাছিল। সেইবাবে ৰাস্তাটোৰ দুয়োপাৰে ছাত্ৰ-ছাত্ৰীয়ে ভিৰ কৰি কলেজলৈ খোজ লৈছিল। দুই-এজনে তাৰফালে চাইছিল। সি অলপ বিৰক্তি অনুভৱ কৰিলে। অইনৰ ল'ৰা-ছোৱালীয়ে মটৰ চাইকেল বা অটো গাড়ীত অহা-যোৱা কৰে। মটৰ চাইকেলতো দূৰৰ কথা, ভগা-চিগা এখন চাইকেলৰে চলিছিলো, এতিয়া সিওঁ বেয়া হ'ল। সি নিজৰ মনতে ভোৰ-ভোৰাই পকেটত হাত ভৰাই চালে। দেউতাকে বজাৰ কৰি ৰোৱা দুটা টকা ৰাতিপুৱা মনে মনে সি ৰাখিছিল। সেই দুটা টকাৰে সি এতিয়া কি কৰিব। তাৰ মনটো বৰ বেয়া লাগি গ'ল। ওচৰৰে দোকান এখনৰ পৰা এজনে কোৱা শুনিলে- " শ্ৰীকৃষ্ণৰ দেউতাক এতিয়া চাইকেল মেকানিক" তাৰ নামতো নিত্যানন্দ যদিও লগৰবোৰে তাক নন্দ বুলিয়েই মাতে, ওঁঠ দুটা দাঁতেৰে কামুৰি চাইকেলখন ডাঙি লৈ ওচৰতে থকা চাইকেল দোকান এখনলৈ লৈ গ'ল। দোকানৰ কাম কৰা ল'ৰাজনক মাতি চকাটো দেখুৱালে আৰু কিমান টকাৰ প্ৰয়োজন হ'ব সেইটোও সুধিলে। ল'ৰাজনে অলপ চিন্তা কৰি তপৰাই উত্তৰ দিলে এশ আশী টকা। তাৰ এনেকুৱা লাগিল যেন গেলা ঘা এটুকুৰাত কোনোবাই এচিডহে ঢালি দিলে। দুখ আৰু বিৰক্তিৰে সি চাইকেলখন দোকানখনৰ একাষে থৈ কলেজলৈ বুলি গ'ল। চাইকেলখনৰ পৰা তাৰ হাতত অলপ লেতেৰা লাগিছিল, সি ধুবলৈ পাহৰি গ'ল। কলেজৰ কেম্পাচত গছ এডালৰ তলত থকা বেঞ্চ এখনত বহি ল'লে সি, চিন্তা কৰিলে দেউতাকে তাক সেই টকাখিনি দিবলৈ তিনিদিন হাজিৰা কৰিব লাগিব। তিনিদিনৰ টকা দেউতাকে এক লগ কৰিব কেনেকৈ। ঘৰত খোৱা মানুহ পাঁচজন, উপাৰ্জন কৰা এজন। সেই টকাৰে চাউল কিনিব নে তাক চাইকেলখন ভাল কৰিবলৈ টকা দিব। চৰকাৰৰ পৰা আগবঢ়োৱা চাউল সিহঁতে নাপায়। ৰবীন মাষ্টৰ, ৰঘু মালিক, সিহঁতে পায়। সিহঁতৰ ঘৰত চাকৰিয়াল আছে, গাড়ী আছে, কিন্তু সিহঁত দৰিদ্ৰ সীমাৰেখাৰ তলত। কব নোৱাৰাকৈ তাৰ মূৰতো গৰম হৈ আহিল। বেঞ্চখনত সি ভাল দৰে বহি লৈ চকুদুটা জোৰেৰে হেচি ধৰিলে। সেই দিনৰ পৰা সি আৰু কলেজ নেদেখিলে। নিত্যানন্দৰ পঢ়া জীৱনৰ ইমানতেই যতি পৰিল। আৰম্ভ হ'ল তাৰ এটি নতুন জীৱন। পঢ়া টেবুলখনৰ বিপৰীতে তাৰ সন্মুখত থাকিল আনে খোৱা বাচন-বৰ্তন আৰু একাষত পানীৰ টেপৰ লগত চাবোনৰ কেচ এটা। চাইকেলখন বেয়া হোৱাৰ কেইদিনমান পিছত ৰবীন মাষ্টৰৰ ল'ৰাজনে তাক চহৰলৈ নি তেওঁলোকৰ হোটেলত মাহেকত ১৫০০ টকাকৈ দৰমহাত ৰাখিলে। ◻◻◻

# এন্ধাৰৰ মালিতা

ড° ললিত চন্দ্ৰ ৰাভা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

ঠিক সাঁজ লাগো লাগো পৰত দৰ্শন ৰাভাই বাছৰ পৰা নামিল। সি ইফালে-সিফালে চালে। ঠাইখিনিৰ বহুখিনি পৰিবৰ্তন হৈছে। দোকান-পোহাৰৰ সংখ্যা বাঢ়িছে। ক্ৰমান্বয়ে দুধনৈ ঠাইখন নগৰ এখনলৈ অগ্ৰসৰ হৈছে। সি তাৰ চিনাকি মানুহ কাৰোবাক লগ পায় বুলি চাৰিওফালে চালে। নাই, কোনো নাই।

পাঁচ বাজো বাজো হৈছে। জানুৱাৰী মাহত পাঁচ বজাত আন্ধাৰ হ'বলৈ ধৰেই। অ'টো ষ্টেণ্ডলৈ গৈ সি অ'টো এখন লৈ তাৰ ওপজা গাঁও ছোটমাটিয়ালৈ যাবলৈ ধৰিলে।

অকস্মাতে সিহঁতৰ অ'টোখন ৰৈ দিব লগা হ'ল। ৰাস্তাটো এক প্ৰকাৰ বন্ধ কৰি মানুহে জুম বান্ধিছে। অ'টোখনৰ ড্ৰাইভাৰে ডিঙি মেলি কি হৈছে চাবলৈ চেষ্টা কৰিলে যদিও একো নেদেখিলে। দৰ্শনে অটোৰ পৰা নামি আগবাঢ়ি গৈ মানুহ এজনক সুধিলে- "এই দাদা, কি হৈছে?"

মানুহজনে তাৰ ফালে কেৰাহিকৈ চাই ক'লে- "কোনোবাই মানুহ এজন গুলিয়াই মাৰি থৈ গৈছে।"

"হা?"-এক প্ৰকাৰ আঁচৰিত হৈ সি জোৰকৈ চিঞৰি দিলে। মানুহবোৰে তাৰ ফালে চাই আকৌ আগলৈ চাবলৈ ধৰিলে।

"এই গুচ গুচ।" পুলিচে আহি মানুহবোৰক আঁতৰি যাবলৈ ক'লে। পুলিচ দুজনমান আগবাঢ়ি আহিল। তেওঁলোকৰ পিছে পিছে কেমেৰা লৈ সাংবাদিক কেইজনমান।

দৰ্শনে দেখিলে-ৰাস্তাৰ মাজতে মৃতদেহ এটা তেজেৰে লুটুৰি-পুটুৰি হৈ পৰি আছে। মুখখন চিনিবলৈ উপায় নাই। সম্ভৱ মূৰত গুলি লাগিছে। গৰম বাতৰিৰ সন্ধানত ব্যস্ত থকা সাংবাদিক কেইজনে এই গৰম খবৰটো পিছ দিনাৰ বাতৰি কাকতত দিবলৈ উদ্‌গ্ৰীব হৈ পৰিল। ঘটনাটো কেনেকৈ ঘটিল, তাত উপস্থিত থকা লোকসকলক এক প্ৰকাৰ জেৰা কৰাদি সুধিবলৈ ধৰিলে। পুলিচ কেইজনে কিছু সময় মৃত দেহটো প্ৰত্যক্ষ কৰি ৰাস্তাৰ একাষৰলৈ নি মানুহবোৰ অহা-যোৱা কৰিবলৈ সুবিধা কৰি দিলে।

দৰ্শনো অ'টোখনলৈ ঘূৰি আহিল। ড্ৰাইভাৰক অ'টোখন চলাবলৈ কৈ সি ভাবিলে - এনেকুৱা ঘটনাতো আগতে ঘটা নাছিল? একেবাৰে শান্ত আছিল অঞ্চলটোৰ পৰিৱেশ। মানুহ হত্যা কৰাৰ দৰে নাৰকীয় পৰিৱেশৰ সৃষ্টি তেতিয়া হোৱা নাছিল। মানুহবোৰ আছিল সহজ-সৰল। মানুহবোৰৰ আকালো নাছিল, ভঁৰালো নাছিল। ঠগ-প্ৰবঞ্চনাৰ দৰে বদ্‌গুণবোৰ মানুহবোৰে শিকা নাছিল। মানুহবোৰ আছিল আকাশৰ দৰে উদাৰ। কিন্তু আজিৰ ঘটনাটোৱে তাৰ পঞ্চ ইন্দ্ৰিয়ক সঁকিয়াই দিলে যে অঞ্চলটোৱে অগ্ৰসৰ হোৱাৰ লগে লগে ইয়াতো নগৰীয়া উপাদান কিছুমান প্ৰৱেশ কৰিবলৈ ধৰিছে আৰু ক্ৰমে গাঁৱৰ পৱিত্ৰতা নাইকীয়া হ'বলৈ ধৰিছে।

আজি সুদীৰ্ঘ পাঁচ বছৰ ছয় মাহৰ মূৰত সি নিজৰ ওপজা ঠাইখনলৈ আহিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ পাছতেই সি উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ গৈছিল। কটন কলেজত পাঁচ বছৰ পঢ়ি বি-এ পৰীক্ষা দিয়াৰ পাছতহে সি আজি নিজৰ গাঁওখনলৈ আহিছে। এই সময়ছোৱাত ঘৰৰ মানুহবোৰৰ লগত কেৱল চিঠি পত্ৰৰেহে তাৰ যোগাযোগ

হৈছিল। চিঠি প্ৰায় সিহে লিখিব লগা হৈছিল। খেতিয়ক দেউতাকে লিখিব-পঢ়িব জানে যদিও চিঠি লিখি সময় নষ্ট কৰাৰ অৱকাশ তেওঁৰ নাছিল। খেতিৰ ধানেৰে ঘৰখন কোনোমতে চলাই অহা মানুহজনে গুৱাহাটীত পঢ়ি থকা পুতেকৰ খৰচ উলিয়াবলৈ অতিৰিক্ত কষ্ট কৰিব লগা হৈছিল।

সি ঘৰ পাওতে সন্ধিয়া প্ৰায় আঠ বাজিল। ভাত খাই থাকোঁতে মাকক গাঁওখনৰ বিভিন্ন কথা সি সুধি থাকিল। তাৰ শৈশৱৰ লগৰীয়াসকলৰ কথা, গাঁওখনত এই কেইবছৰত ঘটা ঘটনাবোৰ, কোন কোন ছোৱালীৰ ইতিমধ্যে বিয়া হ'ল ইত্যাদি বিভিন্ন সম্বাদ সি মাকৰ পৰা পাই গ'ল। মাজতে সি মাকক বাটত ঘটা ঘটনাটোৰ বিষয়ে ক'লে। শুনি মাকে কিছু সময় তভক্ মাৰি ৰ'ল। তাৰ পিছত দীঘলকৈ হুমনিয়াহ কাঢ়ি ক'লে- "নকাবি আৰো বাপু, মানুহগিলাখানৰ যে কি হ'লা, আমি ধুৰবাই ন'ৰা হ'লুংদে। সিদিনাখনো তেংকা এক্‌টা ঘটনা ঘটি গ'লা। সেই যে নৰেশ্বৰ মাষ্টৰৰ সুৰুটা পুতাক, কি নাম আছিল তাৰ? অ' অ' গোলোক, ইমান দিনে বোলে আলফা নে কি'বাত আছিল, সিদিনা ঘৰক আহিছিল। ঘৰক আহি ভাত খাই থাক'ংতেই মুখত ক'লা কা ফুৰ পিন্ধি আহা মানুহ এক মাখাই গুলিয়াই মাৰি থৈ গ'লা।"

মাকৰ কথা শুনি সি কিছু সময় স্তব্ধ হৈ ৰ'ল। তাৰ সহপাঠী গোলোকৰ এই কাহিনী শুনি তাৰ আৰু মুখত ভাত দিয়া নহ'ল। সি মাকৰ ফালে চাই ক'লে, "গোলোককতো মই আলফাত সুমুওৱা বুলি জনা নাছিলোঁ?"

"জান'ং পাই বাপু, এইগিলাং কথা মুই নাজান'ং। কিন্তু এটা কথা হ'লে মুই জান'ং, মানু'গিলাঙৰ আজিকালি কিবা এটা হৈছে। অনবৰতে মানু'গিলাঙক পাগ্‌লা পানী খাই থাকা হেন লাগে।"

সি এক প্ৰকাৰ অস্থিৰ হৈ পৰিল। কি হৈছে মানুহবোৰৰ? কি লাগে মানুহবোৰক? সি বাৰান্দালৈ ওলাই আহিল। মৰা আউসীৰ আন্ধাৰে চাৰিওফালে একো নেদেখাকৈ আৱৰি ৰাখিছে। বাহিৰৰ জগতখন চাব খুজিও সি ব্যৰ্থ হ'ল। অকস্মাতে তাৰ মনত পৰি গ'ল হেম বৰুৱাৰ সেই কবিতাটি- "পোহৰতকৈ এন্ধাৰ ভাল।"

সি তাৰ শোৱা কোঠালৈ আহিল। সি আহিব বুলি জানিয়েই হয়তো মাকে তাৰ বিচনাখন সুন্দৰ পৰিষ্কাৰ কাপোৰেৰে সজাই থৈছে। সি বিচনাত বাগৰি জোৰকৈ শুবলৈ চেষ্টা কৰিলে যদিও বহুত সময়লৈ তাৰ টোপনি নাহিল।

অকস্মাতে তাৰ দুৱাৰত টোকৰ পৰিল। সি দুৱাৰখন খুলি দিলে। দুৱাৰ মুখত সি যিজনক দেখিলে, এইখিনি সময়ত তাক আশা কৰা নাছিল যদিও তাৰ ভাল লাগিল। তাৰ শৈশৱৰ বন্ধু জিতেনে মুখত এমোকোৰা হাঁহি লৈ সোমাই আহিল।

"তুই আহা বুলি আয়াই ক'লা। সেইবাবে তোক দেখা কৰি যাম বুলি আহিলুং। তুই ঘুমটি গিছিলি নাকি?"

"নাই নাই, টোপনিয়ে চোন কাষলৈ নহাই হ'ল। বাদ দে সেইবোৰ। বহ, এই চেয়াৰখনতে বহ। এতিয়া তোৰ খবৰ ক।"

"এহ্, মুই আছ'ং দে আৰো। তোক বহুত দিন দেখা পাৱা নাই নহায়। তোৰ দেহাৰ বহুত বদলি গ'লা। আগৰ সেই দৰ্শন বোলা চাওৱাটাক আৰো পাৱা নাযায়। তুই একেবাৰে চহৰীয়াই হৈ গ'লি।"

"নাই অ' জিতেন, দেখাত তেনে যেন লাগিলেও মই আচলতে তহঁতৰ দৰ্শনেই হৈ আছোঁ। বাদ দে সেইবোৰ কথা। এতিয়া কচোন, তহঁতৰ মানে আমাৰ লগৰবোৰৰ কি খবৰ?"

"মোকতো দেখিছাই। তোৰ দৰে আমাৰ পঢ়া-শুনা নহ'লা। গতিকে এতিয়া কেঁকোৰা নাঙলেই আমাৰ সাৰথি। বিয়াও কৰালুং সোণকালে। এতিয়া এহাল ল'ৰা-ছোৱালীৰ বাপেক।"

"বাহ্, তই দেখিছো বুঢ়াই হৈ গ'লি। বাকীবোৰ, মানে ৰাজু, দীপক, মনোজহঁতৰ কথা কচোন।"

"এহ্, সিহঁতৰ কথানো কি কম? যুগৰ হাৱা লাগিছে তাহাঁতৰ গাত। ৰাজু আজিকালি মস্ত এটা দালাল। কোনোবা ৰাজনৈতিক নেতাৰ লগত হেনো তাৰ বৰ ভাল। গতিকে চাকৰি দিম বুলি ল'ৰাবিলাকৰ পৰা পইছা গোটাই ফুৰাত সি ব্যস্ত।

তাতোঁকে বৰ বেয়া ধাণ্ডাও হেনো সি আজিকালি মাৰে।”

“মানে?”

“মানে আৰু কি? চাকৰি দিম বুলি ছোৱালী কেতবোৰৰ লগত বৰ বেয়া সম্পৰ্ক গঢ়ি তুলিছে। সেইদিনাখন কেইজনমানে তাক মঞ্জুৰ লগত বৰ বেয়া অৱস্থাত ধৰা পেলালে নহয়।”

“ৰ' ৰ', মঞ্জু মানে তোৰ সেই দিগম্বৰ দদাইৰ ছোৱালীজনী নহয় জানো?”

“অ' অ' সেই সেই দিগম্বৰ দদাইৰ ছোৱালী মঞ্জুৱেই হয়।”

অকস্মাতে তাৰ বুকুত এটা গধুৰ শিল খহি পৰা যেন লাগিল। এসময়ৰ তাৰ শৈশৱৰ লগৰী আছিল এই মঞ্জু। এপাহ অনাঘ্ৰাত ফুলৰ দৰেই নিষ্পাপ আছিল তাৰ সেই শৈশৱৰ লগৰী মঞ্জু। কৈশোৰ অৱস্থাত এই মঞ্জুক লৈয়ে কেতবোৰ ৰোমাণ্টিক কল্পনা কৰিছিল সি। আজিও তাৰ বুকুৰ একোণত মঞ্জুৰ প্ৰতিচ্ছবি সজীৱ হৈ আছে। কিন্তু কি শুনিছে সি এইবোৰ?

“আৰু দীপকটো হ'ল মস্ত মদাহী। মেট্ৰিক ফে'ল কৰি কতো একো কৰিব নোৱাৰি দিনে-ৰাতি কেৱল মদকে হজম কৰি থাকে। কোনোবাই কিবা ক'লে কয়-মুই তোৰ পইছাৰে মদ খাৱা নাই নহায়। এতিয়া শুনিছোঁ-তাৰ হেনো বৰ বেয়া বেমাৰ এটা হৈছে। মনোজে আজিকালি ছাত্ৰ সংগঠনত কাম কৰে। কিবা বোলে ৰাভা হাছং নে কিবা এটা চৰকাৰৰ পৰা বিচাৰি আন্দোলন কৰি আছে। সেইটো পালে বোলে আমাৰ ৰাভা ৰাইজৰ অ ভাৰ-অভিযোগবোৰ নাথাকিব। জান'ং, আমি হ'লে সেইগিলাখান একো বুজি নাপাং। এহ্, বহুত ৰাতি হ'ল। এতিয়া যাংদে। পাছত কথা হ'ম।”

দীপক যোৱাৰ পাছত সি বহুত সময় বহিয়ে থাকিল। তাৰ চকুৰ আগত ভাহি থাকিল গাঁৱৰ সহজ-সৰল মানুহবোৰৰ প্ৰতিচ্ছবি। কিন্তু অনাকাংক্ষিত অশুভ বতাহ এজাকে যেন গাঁওৰ মানুহবোৰক কোবাই গৈছে। তাৰ ফলত মানুহবোৰ মতলীয়া হৈ গৈছে। হে হ'ৰি, এইবোৰ কিয় হৈছে?

সি শুবলৈ চেষ্টা কৰিলে।

চিলমিলকৈ টোপনি আহিছিল তাৰ।

কাৰোবাৰ মাতত সি এক প্ৰকাৰ চক্ খোৱাৰ নিচিনাকৈ সাৰ পালে। হয় হয়, আয়াই তাক মাতিছে। কোনাবাই ধক্ ধক্‌কৈ দুৱাৰত জোৰেৰে ঢকিয়াইছে।

সি দুৱাৰখন খুলি দিলে। সন্মুখত এজাক পুলিচৰ মানুহ দেখি সি থত্‌মত্ খালে আৰু দুখোজ পিছুৱাই আহিল। দুজনমান পুলিচে আহি তাক জপটিয়াই ধৰিলে আৰু এজনে লাঠিৰে কোবাবলৈ ধৰিলে। সি কিবা বুজি পোৱাৰ আগতেই মাটিত ঢলি পৰিল। মাকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

“এই বুঢ়ী, চুপ থাক্। তোৰ পুতেৰ এটা মস্ত উগ্ৰপন্থী। আমাৰ হাতত তথ্য আছে। সি বাংলাদেশত প্ৰশিক্ষণ লৈ আহিছে। আজি গধুলি যিটো ঘটনা ঘটিছে, ইয়েই কৰিছে। এই ধৰ্, ইয়াক বান্ধি গাড়ীত উঠাই দে। তাৰ লগত কোন কোন আছে, জ্ঞান পোৱাৰ পাছত সুধিব লাগিব।”

দুজনমানে তাক দাঙি ধৰিলে আৰু পঘাৰে হাতে-ভৰিয়ে বান্ধিলে। অফিচাৰ যেন লগা এজনে কোঠাটো ভালকৈ পৰীক্ষা কৰি চালে। চাৰ্টিফিকেট, মাৰ্কচ্‌চিট কেতবোৰৰ বাহিৰে একো নাপালে।

মাকে কান্দি কান্দি ক'বলৈ ধৰিলে-“মোৰ বাবা তেংকা নহায় ঐ বাবাহাত। সি পঢ়িবাহে গুৱাহাটীক গিছিল। তাক এৰি দে । তাক এৰি দে।”

বুঢ়ীৰ মাত কোনেও নুশুনিলে। দুজনমান পুলিচে চোঁচোৰাই নি তাক গাড়ীত তুলিলে।

দূৰৈত শুনা গ'ল ফেঁচাৰ এক কৰ্কশ চিঞৰ। পুলিচৰ গাড়ীখনে এক বিকট শব্দ কৰি তাৰ পৰা আঁতৰি গ'ল। □□□

# গৱেষণা

পুলক তালুকদাৰ
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

ঘৰলৈ এটা টি ভি অহা কথা। চাৰিওফালে উদুলি মুদুলি পৰিবেশ। নিম্ন মধ্য বিত্তৰ ঘৰলৈ টি ভি এটা অনাটো যিকোনো ডাঙৰ উৎসৱৰ দৰেই কথা। আৰু এই গল্পৰ পটভূমিৰ সময়ত টি ভি এটা আপুৰুগীয়া যন্ত্ৰ। কিন্তু মন্টুৰ মনটো উদাস। যেন গধুৰ বোজা এটাই তাক হেচা মাৰি ধৰি আছে।

তাৰ এই অবতৰীয়া বিষাদৰ কাৰণ হল ডেকামাষ্টৰ আৰু ডেকামাষ্টৰৰ এটা অংক। মলমলীয়া জহা চাউলৰ ভাতৰ গোন্ধ, আলু ভজা, পাৰ মাংসৰ জোল, ফুলকবি ভাজি ইত্যাদিৰ আমোলমোল আকৰ্ষণৰ মাজতো সি একোতেই মনদিব পৰা নাই। ইফালে ঘৰৰ মানুহ বিলাকৰ অভুতপূৰ্ব ব্যস্ততা। বাঁহ কটাই বাঁহ কাটিছে এন্টেনাৰ বাবে। কোনোবাই গাত খান্দিছে এন্টেনাৰ বাহ পোতাৰ বাবে। কোন টেবুলত, কোনটো ৰুমৰ কোন ঠাইত টি, ভি,টো ৰখা হব তাৰ আলোচনা চলিছে। ঘৰৰ মানুহৰ লগতে ওচৰৰ লৰাছোৱালীৰ চোৱাত সুবিধা হোৱাকৈ এটা সিদ্ধান্ত লোৱাত গুৰুত্ব দিছে। ধূপ ধুনাৰ গোন্ধে পূজাৰ পৰিবেশ এটাওঁ সৃষ্টি কৰিছে।

তথাপি মন্টুৰ মন বেয়া। তাৰমনত ডেকা মাষ্টৰে দিয়া অংকটো এটা অংক নহয়। যেন এটা সাথৰ, এটা ৰহস্য। একপ্ৰকাৰ চাৰ্লক হোমচৰ এটা ডিটেক্‌টিভ গল্প। অংকটো এনেকুৱা। এটা ভেকুলীয়ে ১০ ফুট ওখ শৈলুৰে লগা এখন পিছল দেৱাল বগাইছে। ভেকুলীয়ে দেৱাল বগায়, গছ বগায়, পাখিলগাই উৰি ফুৰে যি কৰে কৰক। এটা ভেকুলীক লৈ বেছি চিন্তাকৰাৰ প্ৰয়োজনো নাই। কিন্তু এই ভেকুলীটোৱে জপিয়াই তিনি ইঞ্চি উঠে আৰু দুই ইঞ্চি নামি আহে। আৰু কাটাই কাটাই প্ৰতি চেকেণ্ডত এজাপ মাৰে। এনেকৈ গৈ ভেকুলীটোৱে কিমান সময়ৰ মুৰত দেৱাল খনৰ ওপৰ পাবগৈ।

ডেকা মাষ্টৰৰ সেই চকুদুটা আৰু চেকনিডালৰ কথা মনলৈ আহিলেই মন্টুৰ গা সিয়ৰি উঠে। ভেকুলীটোৱে জাপ মাৰে, নামি আহে আৰু হয়তো মেলেঙা হাঁহি এটাওঁ মাৰে। আচলতে চব ভেকুলীয়ে মুখত হাহি এটা লৈয়ে থাকে। খপকৈ জিভাখন উলিয়াই পোক এটা খায় আৰু সেই হাঁহিটো মাৰে। মন্টুৰ আজি এনেকুৱা লাগিল যেন সমস্ত ভেকুলীয়েই তাৰ শত্ৰু। তাৰ মন গল যেন এটা বন্দুক কিনি আনিব আৰু নাচিৰুদ্দিনৰ ঘোৰাটোত উঠি ভেকুলী বিলাকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব। মন্টুৰ মুৰৰ ভিতৰত লাখ লাখ ভেকুলীয়ে জা প মাৰি ফুৰিছে। জপিয়াইছে আৰু মেলেঙা হাঁহি এটা মাৰিছে।

ভাত খাবৰ সময় হল। বহু গভীৰ অয়োজন। কিন্তু মন্টুৰ মনটোহে গধুৰ। চাৰিওফালে বহুত ভেকুলীয়ে তাৰ ফালে চাই যেন হাহি আছে আৰু তাৰ অৱস্থাটোৰ বাবে সিহতে ৰঙ পাইছে।

টি ভি অহাত পলম হব। ভাত খাই উঠি সকলোৱে আলোচনাত বহিছে। মন্টুৰ মনটো কিন্তু উদাস। কোন ভগৱন্তৰ সহায়ত এই ভেকুলীৰ অথাই সাগৰ পাৰ হোৱা যায়? মন্টুৱে ভগবানকে খাতিলে।

ভগৱানে মন্টুৰ কথা শুনিলে। আৰু দীনেশক মন্টুৰ ঘৰলৈ পঠালে। দীনেশ এটা দুৰন্ত উৎপতীয়া ল'ৰা। কিন্তু আজি সি ভগবান প্ৰেৰিত দুত। সি তেজপুৰত দেউতাকৰ লগত ব্যৱসায় আৰম্ভ কৰিছে। পঢ়া শুনা বাদ। সি শিকিছে এটা অদ্ভুত ভাষা। কথাৰ মাজে মাজে কব," মেহনত কৰনে চে ক্যা ফায়দা" দুটা সুহুৰি আৰু পুনৰ সেই শব্দ কেইটা। সি আহিয়েই শুধিলে মন্টু দোস্তি " মেহনত কৰনে চে ক্যা ফায়দা?" মন্টুৰ বৰ খং

উঠিল। তাক যেন মুচুৰি পেলাব। কিন্তু কি লাভ? মন্টুৰে কলে 'ডেকা মাষ্টৰে এডাল চেকনিত তেল সানি যেতিয়া টিকাত কোব দিব, তেতিয়া বুজিবি, মেহনত কৰনে চে ক্যা ফায়দা।'

'হয় অ', সেই মাষ্টৰটোৱে টো মূল বদমাচ মোক স্কুলৰ পৰা খেদাত। সি নাথাকিলে চাগে আৰু দুই শ্ৰেণীমান পঢ়িব পাৰিলো হেতেন।' মন্টুৰ উত্তৰ। মন্টুৰ অকনমান সহানুভূতি জাগিল দীনেশলৈ। সি দীনেশক সমস্ত ভেকুলী উপাখ্যান বৰ্ণনা কৰিলে। কথাখিনি শুনি মাটিত এবাৰ থুৱাই দীনেশে কলে 'অংকটো এটা ভুল অংক।'

কিয় ভুল? মন্টুই শুধিলে। "ডেকা মাষ্টৰে যিমান ভেকুলী দেখিছে তাতকৈ মই বহুত বেছি ভেকুলী দেখিছো। ভেকুলীক বৰশীত লগাই বৰালী মাছ তুলিছো। চুক ভে কুলীৰ ঠেংত ৰচী লগাই বান্ধি ৰাখিছো। বামুন ভোকোলাৰ ঠেং আলুৰ লগত ভাজিও খাইছো। কিন্তু কোনো ভেকুলীকে দেৱাল বগোৱা পিছল খোৱা আকৌ জপিওঁৱা দেখা নাই।"

'কিন্তু এইটো এটা অংকৰ ভেকুলীহে', মন্টুৱে কলে 'আৰে দোষ্ট ,যিখন শাস্ত্ৰ মিছাৰ ওপৰত নিভৰশীল তাক মেহনত কৰনে চে ক্যা ফায়দা?' দীনেশৰ কথা।

'সেই বিলাক কলে ডেকা মাষ্টৰে মোৰ পিঠি চিৰলা চিৰিল কৰিব, বুজিচ' - মন্টুৱে কলে। তাৰ চকুত পানী।

দীনেশে মন্টুৰ মুখলৈ চাই কিবা ভাবিলে আৰু ওপৰলৈ চাই কলে 'টেক্‌নিকাল এটা আছে অৱশ্যে।'

দীনেশৰ এই টেক্‌নিকাল শব্দটোৰ ওপৰত মন্টুৰ বিশ্বাস আছে। কাৰণ এইটো ব্যৱহাৰ কৰি দীনেশে বিভিন্ন অসম্ভৱক সম্ভৱ কৰিছে। কথাটো কৈয়ে দীনেশ হঠাতে অন্তৰ্ধান হল। মন্টুৱে তাৰ কথা পাহৰি পুণৰ অংকটো সমাধানৰ কথা ভাবিবলৈ ধৰোতে সি আহি ওলাল। হাতত কিবা এটা লৈ আনিছে। এটা আধা মৰা ভেকুলী। ঠেংত এডাল ৰচী বন্ধা। লগত এডাল দহফুট দীঘল বেৰৰ পুৰণি কামি।

দীনেশে কলে "আগতে কামি ডালত এক ইঞ্চিকৈ ডাগ দে।" দাগ দিয়া হল। দীনেশে ৰচী বন্ধা ভেকুলীটো কামিডালৰ এমুৰত ধৰি মুখেৰে "এহেজাৰ এক" বুলি কৈ প্ৰতি চেকেণ্ডৰ হিচাব ৰাখিলে আৰু ৰচী টানি ভেকুলীটো তিনি ইঞ্চি আগবঢ়াই দুই ইঞ্চি পিচুৱাই আনিলে। কামিৰ সিটো মুৰ পাবলৈ কিমান চেকেণ্ড লাগিল হিচাব ওলাল।

পিচদিনা মন্টুৰ শুদ্ধ উত্তৰ দেখি ডেকামাষ্টৰে শুধিলে কেনেকৈ কৰিলি? মন্টুৱে পদ্ধতিটোৰ বৰ্ণনা দিলে। প্ৰথমে ডেকামাষ্টৰে " বেটা আহম্মক" বুলিকৈ বৈ গ'ল। আৰু তাৰ পিছত ঢেক ঢেকাই হাঁহি কলে "ভাগ্য ভাল মই এটা হাতীৰ অংক নিদিলো।"

ডেকামাষ্টৰৰ হাঁহিটো দেখি মন্টুৰ সাহস বাঢ়িল। সি বুকু ডাঠ কৰি ভাবিলে অংকটো শুদ্ধ হৈছে। ☐☐☐

# যৌতুক

সঞ্জয় মেধী
স্নাতক প্ৰথম বৰ্ষ (কলা)

"কেনেকৈ ঘটিল?"

পুলিচ অফিচাৰ জনে উৎচ্চুকেৰে প্ৰশ্ন কৰিলে। ডালিমীয়ে আউলি-বাউলি হৈ থকাৰ পৰা অফিচাৰ জনলৈ চালে। উদাসীন চকু। চকুপানীৰে ভৰা মুখখনৰ পৰা অনুমান কৰিব পাৰি যে ডালিমীৰ বয়স পশ্চাশ মান হব। তাই আকৌ উচুপি উঠিল। হাজাৰ হওঁক নিজৰ জীয়েক। এইবাৰ মানুহজনী অলপ থমকিল আৰু কলে "মই নেজানো ছাৰ"

পাহিয়েও নকন্দাকৈ থাকিব নোৱাৰিলে। পুলিচ অফিচাৰ মানে জয়ন্ত বৰুৱা। ঘৰ বিজয়নগৰত যদিও চাকৰি সূত্ৰে বকোত থাকে। কামত ব্যস্ত থাকি ভাল পোৱা বৰুৱাই এই বাৰ কোঠাটোত চকু ফুৰালে। কৌতুহলী কেইখন মান মুখ; তাৰ মাজত ভাহি আছে কাবেৰীৰ মুখখন। অনবৰতে হাহিঁ-তামছা কৰি ভাল পোৱা ছোৱালীজনীৰ আজি মুখত হাহিঁ নাই। কোঠাটোৰ এচুকত বহি আছে নিৰ্মালী আৰু দীপা। দুয়োৰে মুখৰ মাত নাই। বৰুৱাই ভাবিলে এনেকৈ থাকিলে কাম নহব । বৰুৱাই এইবাৰ কাবেৰীলৈ চালে।

"কংকনক খবৰ দিছানে?"

"নাই"-

বৰুৱাই মৃতদেহ চাই গ'ম পাইছে এইটো আত্মহত্যা নহয়, হত্যাহে। মৃতদেহটো কংকন পাটোৱাৰীৰ পত্নী অংগীতা পাটোৱাৰীৰ।

অংগীতা আৰু কাবেৰীৰ সৰুৰে পৰাই খুব ভাল বন্ধুত্ব। অংগীতাৰ দেউতাকে কাপোৰৰ দোকান দি জীবিকা আৰম্ভ কৰিছিল। পৰিয়ালত দেউতাক, মাক আৰু পাহী মানে তাইৰ সৰু ভনীয়েক । অংগীতা আৰু কাবেৰী সৰুতে একেলগে স্কুললৈ গৈছিল, একেলগে বহিছিল। আবেলি ফুৰিবলৈও একেলগেই গৈছিল। বিয়া সভা আদি উৎসৱত সিহঁতৰ উপস্থিতি একেলগেই দেখা গৈছিল। এনেকৈ এদিন সিহঁতে হাইস্কুলৰ দেওনা পাৰ হৈ কলেজত ভৰি দিছিল। আৰু তাতেই.............

সেই দিনটোৰ কথা কাবেৰীৰ এতিয়াও ভালকৈয়ে মনত আছে। কলেজত নৱাগত আদৰণী সভা। আগদিনা দুয়োৰে খুব আনন্দ। কোনে কি পিন্ধি যাব সেই লৈয়ে ব্যস্ত। পিছদিনা পুৱাই সাজি-কাঁচি কাবেৰীয়ে অংগীতাহঁতৰ ঘৰত উপস্থিত। তাৰপৰা দুয়ো একেলগে কলেজলৈ গৈছিল নৱাগত আদৰণী সভা চাবলৈ। ৰাস্তাত বহুত লৰাই সিহঁতৰ পিনে চাই কিবা আলোচনা কৰিছিল। কংকনক প্ৰথমে তাতেই লগ পাইছিল অংগীতাই। প্ৰথমতে চিনাকী তাৰ পাছত প্ৰেম, ৰেষ্টোৰা ইত্যাদি। অংগীতাই খুব সুখী আছিল কংকন ৰ লগত। কাবেৰীক তাই কৈছিল "কাবেৰী কংকন বৰ ভাল লৰা জান। সি বোলে মোক একেবাৰে নিজৰ কৰি লব।"

বচ। আৰু কেইদিনমানৰ পিছতে কংকনৰ মাক নিৰ্মালি অংগীতাহঁতৰ ঘৰত হাজিৰ। ইতিমধ্যে নবীনৰ চাকৰী হৈ গ'ল সীমা সুৰক্ষা বাহিনীত। গতিকে পলম নকৰি কংকন আৰু অংগীতাৰ বিয়া সুকলমে কৰাই দিলে দুয়োটা পৰিয়ালে। বিয়াৰ এমাহ পিছতে কংকনে চাকৰীত জইন কৰিলে। কিন্তু ন বোৱাৰীৰ প্ৰতি শাহুৱেক নন্দেকৰ সিমান আদৰ নাছিল। কথাই কথাই তাইৰ দোষ ধৰিছিল। বিয়াখন হোৱাৰ আঁৰত এটা কাহিনী আছিল। কংকনৰ মাকে বিয়াৰ আগতে দুই লাখ টকাৰ দাবী দিছিল অংগীতাৰ বাপেকক। অংগীতাহঁতৰ দুই লাখ টকা যৌতুকত দিব পৰা অৱস্থা নাছিল। কিন্তু বাপেকে তাইৰ সুখৰ কাৰণে মনে মনে এক লাখ টকা দিছিল। এক লাখ পিছত দিয়াৰ প্ৰতিশ্ৰুতিৰে। কিন্তু, কংকনে অৱশ্যে এইবোৰ কথা গ'ম নাপাই।

ইফালে কাবেৰীৰ বিয়াও হৈ গ'ল কংকনহঁতৰ গাঁৱত। কাবেৰীৰ স্বামী আছিল শিক্ষক। বৰ ভাল মানুহ। কাবেৰী আৰু অংগীতাৰ আগৰ বন্ধুত্ব আৰু গাঢ় হ'ল। অংগীতাই মাজে মাজে কাবেৰীহঁতৰ ঘৰলৈ আহিবলৈ ধৰিলে।

"বোৱাৰী এটা কথা মনত ৰাখিবা আমাৰ ঘৰৰ বোৱাৰী এনেকৈ লোকৰ ঘৰলৈ ঘনাই আহ্‌- যাহ্ কৰাতো মই ভাল নাপাও।" এদিন শাহুৱেকে সাবধানবাণী শুনাই দিছিল অংগীতাক। ইয়াৰ পিছৰে পৰা আৰম্ভ হয় শাহুৰ অত্যাচাৰ। হাতেৰে নহলেও মুখেৰেই। আৰু এদিন অংগীতাই কাবেৰীহঁতৰ ঘৰৰ পৰা আহি বাৰান্দাত উঠিলেহে মাথো, শাহুয়ে চিঞঁৰত গগণ ফালি দিলে

"কলৈ গৈছিলা?"

"মই মানে ................

"মই তোমাক আগতেই কৈছো ইমান সোনকালে কথা পাহৰি যোৱাতো ভাল নহয়।" - খং প্ৰকাশ কৰিবলৈ অলপ জোৰ কৰিয়ে কৈছিল।

অংগীতাই মনে মনে নিজৰ কোঠালৈ গৈ চকুপানীৰ বৰষুণ পেলালে।

"মা নবৌয়ে ফুৰিবলৈ গৈছিল হবলা।" দীপাই মাকক শুধিলে।

"দীপা তই এইবোৰ বাদ দে। কৰবালৈ যাম বুলি কৈছিলি যে।"

"অ পাহৰিছিলোৱেই" - বুলি দীপা ভিতৰলৈ যায়।

দীপাক কাপোৰ পিন্ধা দেখি অংগীতাই শুধিলে, " দীপা কৰাবলৈ যাবা" -

ঘোপাকৈ দৃষ্টি নিক্ষেপ কৰি দীপাই তাই লৈ চালে "মই কলৈ যাওঁ, তোমাক কিয় লাগে? ............ আৰু এটা কথা তুমি এইখন ঘৰৰ বোৱাৰী, মালিকনি নহয়।

..................

"কাহিলি পুৱাতে জান ঐ" মবাইলত বিহুগীতৰ কলি এটা ভাহি আহিল। অংগীতাই মবাইলটো চাই দেখিলে কাবেৰীৰ নম্বৰ।

"হেল্লো। কি হ'ল কাবেৰী"

"অংগীতা তই পাৰ যদি কাইলৈ আমাৰ ঘৰলৈ এপাক আহিবিছোন।"

................

"মা" - দীপাই চিঞৰি মাকক মাতিলে

"কি হল অ'

"মা মই যে ইন্টাৰ ভিউটো দিছিলো তাত ৰিজাল্ট ভাল হ'ল। কিন্তু ..................

"কিন্তু কি?"

" টকা ১ লাখ দিব লাগিব। তাকো দুদিনৰ ভিতৰতে। নহলে ........

"১ লাখ - নিৰ্মালি কিছুসময় তবধ লাগিল। তাৰ পাছত কলে- "তই চিন্তা নকৰিবি টকা হৈ যাব।

.................

পিছদিনা নিৰ্মালি বাৰান্দাত বহি কিবা ভাবিবলৈ ধৰিলে। এক লাখ টকা দিয়াৰ প্ৰতিশ্ৰুতিটো দেখোন তাই পাহৰিছিলেই। নাই আজিয়েই অংগীতাক ঘৰলৈ পঠাব লাগিব।" ভিতৰলৈ আহিব খুজি নিৰ্মালি থমকিল।

"কলৈ যাব। মোক নোসোধাকৈ কৰবালৈ যাবলৈ তোৰ ইমান সাহস হল।"

"মা"। মই ................

"তই যাবলৈ ওলাইছ যেতিয়া ঘৰলৈকে যা আৰু দেউতাৰক কবি যে প্ৰতিশ্ৰুতি পূৰণৰ সময় আহিছে।"

"মই একো বুজা নাই মা।"

"তই বুজিব নালাগে। মাথো দেউতাৰৰ পৰা ১ লাখ টকা লৈ আহ। "

"কিন্তু মা"।

"কোনো কিন্তু নাই। টকা ননাকৈ এইখন ঘৰলৈ উভতি নাহিবি। আৰু শুন, আজি আবেলি পাচঁ বজাৰ ভিতৰত। বুজিলি।"

অংগীতাই কাবেৰীক ফোন কৰি সকলোবোৰ কলে। কাবেৰীয়ে কলে "মই গৈ আছো ৰবা।" কিন্তু ঘৰৰ মানুহজনৰ

অলপ গা বেয়া কাৰণে সোনকালে আহিব নোৱাৰিলে। অংগীতাই ঘৰলৈ নগৈ বাটৰ পৰাই ঘুৰি আহে। নিৰ্মালিয়ে খঙৰ বহিঃপ্ৰকাশ কৰি তাইক বহুত মাৰ-ধৰ কৰে।..........

মিনাক্ষী অংগীতাহঁতৰ ঘৰৰ কাম কৰা ছোৱালী।

মিনাক্ষী লাহে-লাহে কোঠাটোত প্ৰবেশ কৰিলে।

"চাহাব, মই সকলো দেখিছো"।

কোঠাটোত থকাসকলে মিনাক্ষীৰ পিনে উচ্চুকেৰে চালে।

"চাহাব, এই আই আৰু বাইদেৱে অংগীতা বাইদেউক ............

কাবেৰীয়েও ক'লে -

"ছাৰ এই দুই পিশাচিনীক ভাল শাস্তি দিব। যৌতুক লাগে।"

"হব হব। মই ইহঁতৰ বাবে উচিত শাস্তিৰ ব্যৱস্থা কৰিম।"□□□

# ভোক

পৰীস্মিতা দাস

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

"মা,মা বৰ ভোক লাগিছে।"

চিঞৰি আছে কণমানি দুটাই। লাহে লাহে সিঁহতৰ মাত নোলোৱা হৈ আহিছে। বিধবা মাকে লাঘৱ কৰিব পৰা নাই সিঁহতৰ ক্ষুধা যন্ত্ৰণাৰ। আজি তিনিদিন হ'ল কাম পোৱা নাই।

"বৰুৱা ডাঙৰীয়া, টকা কেইটামান হ'ব নেকি? সন্তান কেইটাৰ প্ৰাণ ভিক্ষা কৰিছো আপোনাৰ ওচৰত।"

কান্দি কান্দি তাই কোৱা কথাকেইটালৈ ভ্ৰূক্ষেপ নাই বৰুৱাৰ। গাওঁ খনৰ ধনী মানুহ বৰুৱাৰ চকু তাইৰ ফিচিকা চাদৰখনৰ ওপৰত। লোভৰ লেলাৱতি পেলাই তাইৰ বুকুলৈ চাই ক'লে, "মোৰ ভোক লাগিছে।"

অৱশেষত..........

মাকে নোৱাৰিলে সন্তানকেইটাৰ ক্ষুধাৰ্ত মুখলৈ চাই থাকিবলৈ। বৰুৱাৰ ভোক মোচন কৰিলে তাই। এটা ভোকৰ প্ৰতিদানত মোচন হ'ল সিহঁতৰ পৰিয়ালৰ ভোক।